# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

কাইলৈ ভোগালী বিহুৰ উৰুকা। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীতো ভোগালীৰ সীমাহীন ব্যস্ততা পৰিলক্ষিত হৈছে। প্ৰতিবাৰৰ দৰে এইবেলিও বৃহত্তৰ উজানবজাৰ অনুসূচীত নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাই কাইলৈ উৰুকা উপলক্ষে উজান বজাৰত ৭০ টন মাছ বিক্ৰীৰ লক্ষ্য লৈছে। সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ দাসে এইকথা প্ৰকাশ কৰে। ইপিনে, আজি পুৱাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উজানবজাৰ অনুসূচীত নিবনুৱা মৎস্য ব্যৱসায়ী সন্থাই ভোগালী  বিহু উপলক্ষে মাছ উপহাৰ দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লখিমীক আদৰি উছাহেৰে ভোগালী বিহু পালন কৰিবলৈ ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁক সাক্ষাৎ কৰি পৰম্পৰাগত উপহাৰ প্ৰদান কৰা প্ৰতিজন ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ভোগৰ উৎসৱ উপলক্ষে দৈ, মাছ, পিঠা-পনা ইত্যাদি পৰম্পৰাগত খাদ্য সম্ভাৰসমূহ আৰ্থিকভাৱে দুৰ্বলসকলক ভগাই দিয়া হ'ব।

শিৱসাগৰ জিলাত টাই-আহোম যুৱ পৰিষদৰ উদ্যোগত ৰংঘৰ বাকৰিত ৰংপুৰ মেলাৰ আয়োজন কৰা হৈছে। ২০১১ বৰ্ষৰ পৰা ধাৰাবাহিকভাৱে আয়োজন কৰা এই মেলাত বিভিন্ন জনগোষ্ঠীয় খাদ্য সম্ভাৰ পৰিৱেশন কৰা হৈছে। ১০ জানুৱাৰীৰ পৰা চলি থকা এই মেলাৰ মূল অনুষ্ঠান ১৫ জানুৱাৰী অৰ্থাৎ পহিলা মাঘত অনুষ্ঠিত হ'ব। ইফালে গোলাঘাট জিলাত বোকাখাত মহকুমা প্ৰশাসনে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া বিলসমূহত মাঘ বিহুৰ সময়ত মাছ ধৰাত নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত অবৈধভাৱে মাছধৰা সকলক দণ্ড বিহা হ'ব বুলি বোকাখাত মহকুমা প্ৰশাসনে ঘোষণা কৰিছে।

উল্লেখযোগ্য যে মাঘ বিহুৰ সৈতে সম্পৰ্ক থকা পৰম্পৰাগত ম'হ যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজৰ দৰে খেল-ধেমালিসমূহ ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ বাবে অনুষ্ঠিত নহয়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰিছে। বিবদমান ৯ খন পঞ্চায়তক বাদ দি অতিশীঘ্ৰে ৰাজ্যজুৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। শ্ৰীভূমি, কাছাৰ, হাইলাকান্দি আৰু মৰিগাঁৱক সামৰি এই বিষয়ত ৯ খন লেখ আবেদন দাখিল কৰা হৈছিল। ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ আদালতে এই সম্পৰ্কত পৰহি স্থগিত ৰখা ৰায়দান আজি প্ৰদান কৰে। এই ৰায় অনুযায়ী ৯ খন লেখ আবদনে সামৰি লোৱা অঞ্চলসমূহৰ বাদে আন পঞ্চায়ত সমূহত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ প্ৰদান কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উচ্চ ন্যায়ালয়ৰ এই ৰায়দানৰ পাছত ব'হাগ বিহুৰ ওচৰে পাজৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে। কামৰূপৰ চাংসাৰিত গৃহ সমষ্টি জালুকবাৰীৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনাবলৈ আয়োজন কৰা এখন সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিষয়ে অৱগত কৰে।

পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ন্যায়ালয়ে অনুমতি প্ৰদান কৰাৰ সমান্তৰালভাৱে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে দৰং জিলাত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এখন সক্ৰিয়া কাৰ্যকৰ্তা সভাত অংশগ্ৰহণ কৰে। বিজেপি নেতাগৰাকীয়ে সমাগত নিৰ্বাচনত দলটোৱে ঐক্যবদ্ধভাৱে যুঁজ দি জয় সুনিশ্চিত কৰিব বুলি মন্তব্য কৰে। বিৰোধী দল কংগ্ৰেছেও নিৰ্বাচনী তৎপৰতা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। দলৰ জ্যেষ্ঠ নেতা ৰকিবুল হুছেইনে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নহ'ব বুলি মন্তব্য কৰে।

০০০০০

ৰাজভৱনত কালি আয়োজন কৰা প্ৰাক ভোগালী উৎসৱত সংবাদ মাধ্যমৰ লোকসকলৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মত বিনিময় কৰে। তেওঁ ভোগালী বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছাও জ্ঞাপন কৰে। কালি অনুষ্ঠিত সংবাদমেলত ৰাজ্যপালগৰাকীয়ে কয়, যে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা ৰাজ্যৰ ৫১২ গৰাকী শিক্ষাৰ্থীৰ বাবে ৰাজভৱনৰ পৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ একাংশ সম্পাদক আৰু সাংবাদিকক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা এই প্ৰাক ভোগালী উৎসৱত তেওঁ লগতে কয়, যে প্ৰশিক্ষণ গ্ৰহণ কৰিবলগীয়া ৫১২ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৫০০ গৰাকীক অনলাইন ব্যৱস্থাৰে আৰু আন ১২ গৰাকীক অফলাইন ব্যৱস্থাৰে প্ৰশিক্ষণ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই শিক্ষাৰ্থীসকলে যাতে লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে, তাৰ বাবে ৰাজভৱনৰ তৰফৰ পৰা বিভিন্ন সুবিধা দিয়া হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে। দিব্যাংগ ব্যক্তিসকলৰ লগতে কলা আৰু সাংস্কৃতিক কৰ্মী, সামাজিক কৰ্মী, সাহিত্যিক আদি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিক উৎসাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি ৰাজ্যপাল আচাৰ্যই লগতে কয়, যে এনে ব্যক্তিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰাৰো ব্যৱস্থা লোৱা হৈছে।

০০০০০

অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সম্পাদক দেৱজিত বৰাই স্বদেশ আৰু স্বজাতিৰ সেৱাত নৱ প্ৰজন্ম উদ্বুদ্ধ হোৱা উচিত বুলি মন্তব্য কৰে। কালি যোৰহাটৰ অগ্ৰণী শিক্ষানুষ্ঠান মালৌ আলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ৰাজহুৱা অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অমস সাহিত্য সভাৰ মুখ্য কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱনে সকলোকে আদৰি লোৱাৰ লগতে অসম সাহিত্য সভাৰ দুৱাৰ সকলোৰে বাবে মুকলি আছে। অসম সাহিত্য সভাৰ অন্তৰ্গত উত্তৰ পশ্চিম যোৰহাট শতদল শাখা সাহিত্য সভাৰ উদ্যোগত আৰু উত্তৰ পশ্চিম যোৰহাটৰ ৰাইজৰ সহযোগত অনুষ্ঠিত ৰাজহুৱা অভিনন্দন অনুষ্ঠানত শ্ৰীবৰাক অঞ্চলটোৰ বহু ব্যক্তি আৰু প্ৰতিষ্ঠানে সম্বৰ্ধনা জনায়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ৪৫ মিনিটত ইয়াৰ সাপ্তাহিক সংবাদ চলন্তিকা অনুষ্ঠানত **ভোগালীৰ উৰুকাত অসমবাসীয়ে থলুৱা মাছৰ সোৱাদ ল'ব পাৰিবনে?** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাগৰাকীও বিশিষ্ট মীন পালক আৰু আমাৰ সংবাদদাতাসকলে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

সমাপ্ত